**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-03-2026
**Time :** 18-45 Hrs

# ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। নিৰ্বাচনী প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনসমূহৰ তৎপৰতা।

২। নিৰ্বাচন আয়োগৰ অসমৰ বাবে ১৩৬ গৰাকী পৰ্যবেক্ষক নিয়োগ।

৩। বিধানসভা নিৰ্বাচনৰ বাবে কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা।

৪। সন্তান দত্তক লোৱা মাতৃসকল প্ৰসূতিককালীন ছুটিৰ বাবে যোগ্য হ'ব বুলি উচ্চতম ন্যায়ালয়ৰ ৰায়।

*আৰু*

৫। ফ্ৰান্সত অনুষ্ঠিত অৰ্লিয়েনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হান্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ আকৰ্ষী কাশ্যপ - চীনা টাইপেইৰ ৰাই লীৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে নিৰ্বাচনী প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ বাবে ৰাজ্যৰ প্ৰতিখন জিলা প্ৰশাসনে তৎপৰতা অৱলম্বন কৰিছে।

বৰপেটা জিলাত আজি জিলাখনৰ নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনৰ উদ্যোগত ৰাজনৈতিক দলসমূহৰ লগত এখন বৈঠক অনুষ্ঠিত কৰা হয়। এই বৈঠকত জিলাখনৰ নিৰ্বাচনী আয়োগৰ পঞ্জীয়নভুক্ত সকলো দলৰ প্ৰতিনিধি উপস্থিত থাকে। জিলাখনৰ আয়ুক্ত ৰৌহন কুমাৰ ঝাৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ত এই বৈঠকখন অনুষ্ঠিত হয়। আনহাতে, আসন্ন বিধানসভা নিৰ্বাচনক লৈ আজি বজালী জিলাৰ আয়ুক্ত প্ৰাৰ্থ প্ৰতীম মজুমদাৰে সংবাদ মেল আয়োজন কৰি জিলাখনৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিষয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। জিলাখনৰ অন্তৰ্গত বজালী সমষ্টি আৰু ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বাবে জিলা প্ৰশাসন সম্পূৰ্ণ প্ৰস্তুত বুলি সংবাদ মেলত জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। নিৰ্বাচনী আয়োগৰ নিৰ্দেশনা অনুযায়ী নিৰ্বাচনী কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ লগতে জিলাখনত আদৰ্শ ভোটদান কেন্দ্ৰ আৰু মহিলা সকলৰ দ্বাৰা পৰিচালিত ভোটদান কেন্দ্ৰৰো ব্যৱস্থা থাকিব বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসন সাজু হৈ উঠিছে। জিলা প্ৰশাসনৰ ফালৰ পৰা নিৰ্বাচনৰ দায়িত্বত থকা ৰিটৰ্নিং বিষয়া গৌৰৱ কুমাৰ দাসে আজি এখন সংবাদমেল আয়োজন কৰি নিৰ্বাচনৰ বাবে জিলাখনৰ একমাত্ৰ মানকাচৰ বিধানসভা সমষ্টিত গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থা তথা আচৰণবিধি সম্পৰ্কে সংবাদ মাধ্যমক অৱগত কৰে।

কামৰূপ মহানগৰ জিলা আয়ুক্ত স্বপ্নীল পালে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিধানসভা নিৰ্বাচন সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। সংবাদ মেলত আয়ুক্তগৰাকীয়ে কামৰূপ মহানগৰ জিলাৰ নিৰ্বাচনী প্ৰস্তুতি আৰু জিলাখনৰ ভোটগ্ৰহণ কেন্দ্ৰ আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিষয়ে উল্লেখ কৰে। জিলাখনত এহেজাৰ ২১৮ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ লগতে ১২০ টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব বুলিও তেওঁ

উল্লেখ কৰে। নিৰ্বাচনী  অধিসূচনা জাৰি হোৱাৰ পাছতে জিলাখনত এহেজাৰ ৩১৯ টা অস্ত্ৰ-শস্ত্ৰ জমা কৰা হৈছে বুলি উল্লেখ কৰে।

**বাইট - স্বপ্নীল পাল**

মাজুলী বিধানসভা সমষ্টিতো শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ সকলো বিষয়ববীয়া তথা জিলাখনৰ ৰাজনৈতিক দলসমূহৰ জিলা পৰ্যায়ৰ মুৰববীসকলৰ সৈতে এখন সভা অনুষ্ঠিত কৰা হয়। মাজুলী সমষ্টিত মুঠ এক লাখ ৪৪ হাজাৰ ৮৩৭ গৰাকী ভোটাৰে এইবাৰ ভোটদান কৰিব। ইয়াৰে ৭৩ হাজাৰ ৫৪৫ গৰাকী পুৰুষ ভোটাৰ আৰু ৭১ হাজাৰ ২৯২ গৰাকী মহিলা ভোটাৰ বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। মাজুলী জিলাত এইবাৰ মুঠ ১৮৮ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰাৰ লগতে ২০ টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। জিলাখনত যাতায়াতৰ  বাবে ১৯ টা ভোটগ্ৰহণ কেন্দ্ৰ দুৰ্গম হিচাপে চিহ্নিত কৰা হৈছে।

চৰাইদেউ জিলা নিৰ্বাচন বিভাগে নিৰ্বাচনী প্ৰক্ৰিয়া নিকা আৰু সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা জাৰি কৰা এক জাননীৰ জৰিয়তে জিলাখনত এটা নিৰ্বাচনী নিয়ন্ত্ৰণ কক্ষ আৰু অভিযোগ নিৰীক্ষণ কোষ কাৰ্যক্ষম কৰি তোলা হৈছে। নিৰ্বাচন সংক্ৰান্তীয় যিকোনো অভিযোগ বা সহায়ৰ বাবে জিলাখনৰ ভোটাৰে ১৯৫০ টোল ফ্ৰি নম্বৰ আৰু দুটাকৈ মোবাইল নম্বৰ মুকলি কৰি দিয়া হৈছে। যোৰহাট জিলাতো শান্তিপূৰ্ণ আৰু নিকাভাৱে নিৰ্বাচন সম্পন্ন কৰাৰ উদ্দেশ্যে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ ৰ ১৬৩ ধাৰাৰ অধীনত যোৰহাট নিৰ্বাচনী জিলাৰ সমগ্ৰ এলেকাত অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰ কঢ়িওৱাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

ডিব্ৰুগড় জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীয়ে চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। উপায়ুক্তগৰাকীয়ে বিদ্যালয়খনত ভোটাধিকাৰ সাব্যস্ত কৰাৰ সময়ত  প্ৰয়োজনীয় বিভিন্ন সুবিধাসমূহৰ বিষয়ে বিতংকৈ পৰ্যালোচনা কৰে। লগতে জিলা প্ৰশাসনৰ কেইবাটাও বিভাগৰ বিষয়া কৰ্মচাৰীৰ সৈতে তেওঁ মিলিত হয়।

শিৱসাগৰ জিলা প্ৰশাসনে জিলাখনৰ তিনিটা সমষ্টিত শান্তিপূৰ্ণ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি চলাইছে। জিলাখনৰ ৯৫ নম্বৰ ডিমৌ বিধানসভা সমষ্টিত এইবাৰ মুঠ ভোটাৰৰ সংখ্যা এক লাখ ৭৮ হাজাৰ ৩৯০ গৰাকী। ইয়াৰে ৮৭ হাজাৰ ৭১৬ গৰাকী পুৰুষ ভোটাৰ, ৯০ হাজাৰ ৬৭৩ গৰাকী মহিলা ভোটাৰ আৰু এগৰাকী তৃতীয় লিংগৰ ভোটাৰ। আনহাতে ৯৭ নম্বৰ নাজিৰা বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা এক লাখ ৮২ হাজাৰ ১৯৬ গৰাকী। ইয়াৰে ৮৮ হাজাৰ ৬৪৫ গৰাকী পুৰুষ, ৯৩ হাজাৰ ৫৪৯ গৰাকী মহিলা আৰু দুগৰাকী তৃতীয় লিংগৰ ভোটাৰ। তিনিওটা বিধানসভা সমষ্টিৰ সৰ্বমুঠ ভোটাৰৰ সংখ্যা ৫ লাখ ৭০ হাজাৰ ৫৬২ গৰাকী। ৯৫ নম্বৰ ডিমৌ বিধানসভা সমষ্টিত ২৩০ টা ভোটগ্ৰহণ কেন্দ্ৰ থকাৰ বিপৰীতে ৯৬ নম্বৰ বিধানসভা সমষ্টিত ২৭৮ টা আৰু ৯৭ নম্বৰ নাজিৰা বিধানসভা সমষ্টিত ২৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচলনা কৰাৰ উদ্দেশ্যেৰে জিলা প্ৰশাসনে ইতিমধ্যে গঠিত নিৰ্বাচনী কোষসমূহ সক্ৰিয় কৰি তুলিছে।

০০০০০

নিৰ্বাচন আয়োগে অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পৰ্যবেক্ষনৰ বাবে এহেজাৰ ১১১ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰিছে। অসমৰ বাবে ৫১ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৩৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৫০ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰিছে। একেদৰে কেৰালামৰ বাবে ৫১ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ১৭ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৪০ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰিছে।

তামিলনাডুৰ বাবে ১৩৬ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৪০ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১৫১ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰাৰ লগতে পশ্চিমবংগৰ  বাবে ২৯৪ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৮৪ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১০০ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰিছে। ১৭ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৪ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১৭ গৰাকী ব্যয় পৰ্যবেক্ষক পুডুচেৰীৰ বাবে নিৰ্বাচনী আয়োগে নিয়োগ কৰিছে। উপ নিৰ্বাচনৰ বাবেও ৮ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৮ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৮ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰিছে। দেশৰ নিৰ্বাচন আয়োগে কাইলৈৰ ভিতৰত পৰ্যবেক্ষকসকলক নিয়োগ কৰা নিজ নিজ বিধানসভা সমষ্টিত উপস্থিত হৈ পৰ্যবেক্ষন কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কেইবাটাও ৰাজনৈতিক দলে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। আজি এ আই ইউ ডি এফ দলে ১২ টা সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। ঘোষণা কৰা তালিকাত বিন্নাকান্দি সমষ্টিত বদৰুদ্দিন আজম, গোৱালপাৰা পূৱ সমষ্টিত হাফিজ বসিৰ আহমেদ, ধুবুৰীত নজৰুল হক, দলগাঁৱত মজিবুৰ ৰহমান, চেঙা সমষ্টিত আশ্ৰাফুল হুছেইন, চামগুৰি সমষ্টিত আব্দুল অজিজ, দক্ষিণ কৰিমগঞ্জত শ্বেহাব উদ্দিন, চমৰীয়া সমষ্টিত ইমদাদ হুছেইন, গোলকগঞ্জত জমছেৰ তালুকদাৰ, বিজনী, মুসুখা বসুমতাৰী, ৰহা সমষ্টিত মুকুট দাস আৰু ৰামকৃষ্ণনগৰ সমষ্টিত ড০ অনুপ কুমাৰ দাস তালুকদাৰক প্ৰাৰ্থীত্ব প্ৰদান কৰে।  ইয়াৰ পূৰ্বেও দলটোৱে ৯টা সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছিল। এতিয়ালৈকে দলটোৱে মুঠ ২১ টা সমষ্টিত দলৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ইয়াৰ পূৰ্বে দলটোৱে ৯ জন প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে।

অসম জাতীয় পৰিষদ দলেও আজি ৮ টা সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। খোৱাং সমষ্টিত দলটোৰ সভাপতি লুৰিণজ্যোতি গগৈ আৰু বঢ়মপুৰ সমষ্টিত দলটোৰ কাৰ্যকৰী সভাপতি ৰাজেন গোহাইয়ে  প্ৰাৰ্থীত্ব আগবঢ়াব। বজালী সমষ্টিত দিলীপ বৰুৱা, ডিব্ৰুগড় সমষ্টিত মইনাক পাত্ৰ, বিন্নাকান্দি সমষ্টিত ৰেজাউল কৰিম চৌধুৰী, মৰিগাওঁত বাণী দাস, সৰুপথাৰত জীৱন চুতীয়া আৰু পলাশবাৰীত পংকজ লোচন গোস্বামীক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে।

পৰৱৰ্তী সময়ত শদিয়া আৰু কেন্দ্ৰীয় গুৱাহাটী সমষ্টিৰ বাবেও প্ৰাৰ্থীৰ নাম ঘোষণা কৰিব বুলি দলটোৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে সংবাদমেলত উল্লেখ কৰে।

**বাইট - লুৰিণজ্যোতি**

ইউ পি পি এল দলে কালি ৭ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ঘোষণা কৰে। বি টি চিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য আৰু দলটোৰ সভাপতি প্ৰমোদ বড়োক তামুলপুৰ সমষ্টিত প্ৰাৰ্থিত্ব দিয়া হৈছে। এবছুৰ প্ৰাক্তন সভাপতি দীপেন বড়োক ওদালগুৰি, ৰাজু কুমাৰ নাৰ্জাৰীক দতমাত আৰু লৰেন্স ইছলাৰীক কোকৰাঝাৰত প্ৰাৰ্থিত্ব দিয়া হৈছে। একেদৰে অনিন্দ বসুমতাৰীক গোসাইগাঁও, নাৰ্ছন বড়োক ভেৰগাঁও আৰু কমলসিং নাৰ্জাৰীক বিজনী সমষ্টিৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে।

চি পি আই এম দলে কালি দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰে। দলটোৱে এখন সংবাদমেলযোগে ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিৰ বাবে মনোৰঞ্জন তালুকদাৰক আৰু গোৰেশ্বৰ সমষ্টিৰ বাবে বাপুৰাম বড়োক প্ৰাৰ্থিত্ব দিয়াৰ কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ, অসম জাতীয় পৰিষদ, চি পি আই এম, এ পি এইচ এল চি আৰু চি পি আই এম এল দলৰ মাজত আসন বুজাবুজি সম্পন্ন হৈছে।

ইয়াৰ পূৰ্বে আম আদমী পাৰ্টীয়ে ১৪টা সমষ্টিৰ বাবে তালিকা ঘোষণা কৰিছে। কংগ্ৰেছ দলেও দুখনকৈ প্ৰাৰ্থীৰ তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে। ৰাইজৰ দলেও ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে।

বিজেপিয়ে কাইলৈ বা পৰহি পুৱাৰ ভিতৰত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত অনুষ্ঠিত বিজেপি সংসদীয় পৰিষদৰ বৈঠকত মুখ্যমন্ত্ৰী, ৰাজ্যিক বিজেপিৰ সভাপতিকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাই দলৰ কেইবাগৰাকীও কেন্দ্ৰীয় নেতাৰ সৈতে মিলিত হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত বিজেপিৰ প্ৰাৰ্থীৰ তালিকা সন্দৰ্ভত এনেদৰে প্ৰকাশ কৰে।

বাইট - মুখ্যমন্ত্ৰী

০০০০০

উচ্চতম ন্যায়ালয়ে সন্তান দত্তক লোৱা মাতৃসকল প্ৰসূতিকালীন ছুটীৰ বাবে যোগ্য বিবেচিত হ'ব বুলি ৰায় দিছে। ন্যায়াধীশ জে বি পাৰ্ডিৱালাৰ নেতৃত্বৰ বিচাৰপীঠে এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰি তিনি মাহৰ ওপৰৰ সন্তান দত্তক লোৱা মহিলাসকলো ছুটীৰ বাবে যোগ্য বিবেচিত হ'ব বুলি ৰায় দিছে। আদালতে লগতে কেন্দ্ৰীয় চৰকাৰক প্ৰসূতি মাতৃৰ ছুটীৰ দৰে পিতৃত্বৰ ছুটীকো বৈধ কৰাৰ দিশত কাম কৰাৰ পোষকতা কৰে। সৰ্বোচ্চ ন্যায়ালয়ে শুনানিত প্ৰকাশ কৰা মতে পিতৃসকলেও সন্তানৰ প্ৰতিপালনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা উচিত। ন্যায়ালয়ে সামাজিক সুৰক্ষা সংহিতাৰ সংশ্লিষ্ট ধাৰা বাতিল কৰে। উল্লেখযোগ্য যে এই ধাৰা অনুসৰি দত্তক লোৱা শিশুৰ ক্ষেত্ৰত মাতৃগৰাকী কেৱল তিনি মাহলৈ ছুটীৰ ব্যৱস্থা আছিল।

০০০০০

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি সন্দৰ্ভত  সদৌ অসম ছাত্ৰ সন্থাই এখন গৱেষণা গ্ৰন্থ প্ৰকাশ কৰিব। শিল্পীগৰাকীৰ জন্মশতবৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি সংগঠনটোৱে এই পৰিকল্পনা গ্ৰহণ কৰিছে। এই গ্ৰন্থত সুধাকণ্ঠৰ নিকট সান্নিধ্য লাভ কৰা কমেও ৫০গৰাকী ব্যক্তিৰ লেখাৰে এই গ্ৰন্থখন প্ৰণয়ন কৰা হ'ব বুলি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই প্ৰকাশ কৰিছে। সংগঠনটোৰ আজি গুৱাহাটী বিবেকানন্দ কেন্দ্ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত জৰুৰী কাৰ্যনিৰ্বাহক বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

বাইট

বৈঠকত ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ সমস্যা সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি নিৰ্বাচনৰ সময়ছোৱাত নিৰপেক্ষতা বৰ্তাই ৰখাৰ বাবে সংগঠনটোৰ নেতাসকলে প্ৰতিগৰাকী সদস্যক আহ্বান জনায়। এই বৈঠকত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰৰ দাবী সন্দৰ্ভতো আলোচনা কৰা হয়। অহা ১৯ মাৰ্চত জুবিন গাৰ্গৰ মৃত্যু ছমাহ পূৰ্ণ হোৱাৰ দিনা ছাত্ৰ সন্থাই ৰাজ্যৰ প্ৰতিখন জিলা সদৰতে বিশেষ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিষয়েও সিদ্ধান্ত লোৱা হয়।

০০০০০

ফ্ৰান্সত অনুষ্ঠিত অৰ্লিয়েনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত আজি মহিলাৰ ছিংগলছৰ এখন যোগ্যতা নিৰ্ণয়কাৰী খেলত ভাৰতৰ আকৰ্ষী কাশ্যপ চীনা টাইপেইৰ ৰাই লীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। প্ৰতিযোগিতাত কাইলৈ পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত কিদাম্বী শ্ৰীকান্ত ডেনমাৰ্কৰ মেগনাছ জহানেছেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে উদীয়মান খেলুৱৈ আয়ুষ ছেট্টি ভাৰতৰে কিৰণ জৰ্জৰ বিৰুদ্ধে খেলিব।

০০০০০

ঃঃ সমাপ্ত ঃঃ